যিটো ৰাতিত মোক মিৰাজৰ বাবে লৈ যোৱা হৈছিল, সেই ৰাতিত মই ইব্ৰাহীম আলাইহিচ্ছালামক লগ পাইছিলোঁ। তেতিয়া তেখেতে মোক কৈছিলঃ হে মুহাম্মদ! আপোনাৰ উম্মতক মোৰ ফালৰ পৰা ছালাম দিব, আৰু তেওঁলোকক জনাই দিব যে, জান্নাতৰ মাটি খুবেই সুগন্ধি সমৃদ্ধ, আৰু তাৰ পানী অত্যন্ত মিঠা সোৱাদযুক্ত

ইবনে মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিটো ৰাতিত মোক মিৰাজৰ বাবে লৈ যোৱা হৈছিল, সেই ৰাতিত মই
ইব্ৰাহীম আলাইহিচ্ছালামক লগ পাইছিলোঁ। তেতিয়া তেখেতে মোক কৈছিলঃ হে মুহাম্মদ! আপোনাৰ উম্মতক মোৰ ফালৰ পৰা ছালাম দিব, আৰু তেওঁলোকক জনাই দিব যে, জান্নাতৰ মাটি খুবেই সুগন্ধি সমৃদ্ধ, আৰু তাৰ পানী অত্যন্ত মিঠা সোৱাদযুক্ত, লগতে জান্নাত হৈছে
সমতল ভূমি, আৰু ইয়াৰ গছ-গছনি হৈছে ছুবহানাল্লাহ, অলহাম্দুলিল্লাহ, অলা ইলাহা ইল্লাল্লাহ, অল্লাহু আকবাৰ।" [অন্যান্য হাদীছৰ সমৰ্থনত হাছান] [(তিৰমিজী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, তেখেতে ইছৰা আৰু মিৰাজৰ ৰাতি ইব্ৰাহীম আলাইহিচ্ছালামক লগ পাইছিল। ইব্ৰাহীম আলাইহিচ্ছালামে তেখেতক কৈছিল, হে মুহাম্মদ! মোৰ ফালৰ পৰা আপুনি আপোনাৰ উম্মতক ছালাম পৌঁচাই দিব আৰু তেওঁলোকক জনাই দিব যে, জান্নাতৰ ভূমি হৈছে অত্যন্ত সুগন্ধি সমৃদ্ধ, ইয়াৰ পানী হৈছে খুবেই মিঠা সোৱাদযুক্ত, নিমখযুক্ত নহয়। জান্নাতৰ ভূমি হৈছে সমতল, তাত কোনো গছ-গছনি নাই। পৱিত্ৰ কলিমাবোৰ হব ইয়াৰ গছ-গছনি, সেইবোৰেই হৈছে চিৰস্থায়ী নেকী। যেনে- ছুবহানাল্লাহ, অলহাম্দুলিল্লাহ, অলা ইলাহা ইল্লাল্লাহ, অল্লাহু আকবাৰ। মুছলিম ব্যক্তিয়ে যেতিয়াই এইবোৰ কলিমা পাঠ কৰে, তেতিয়াই তাৰ বিপৰীতে জান্নাতত একোটাকৈ গছ ৰোপণ হয়।

http://sunnah.global/hadeeth/as/show/3791